**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 4-OCT-2025
**Time :** 0900 Hrs

## *Assamese Morning Bulletin*
## *Headlines*
--------------------

১। জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত ৰাজ্য চৰকাৰৰ ন্যায়িক আয়োগ গঠনৰ সিদ্ধান্তত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ অনুমোদন।

২। ৰাজ্যত শীঘ্ৰেই ৩৫ হাজাৰ প্ৰাৰ্থীয়ে স্বচ্ছ আৰু নিকাভাৱে নিযুক্তি লাভ কৰিব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

৩। অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ ৩০ লাখ হিতাধিকাৰীক ৭ অক্টোবৰৰ ভিতৰত পুঁজি বিতৰণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৪। বি টি চিৰ মুৰব্বী হিচাপে হাগ্ৰামা মহিলাৰীৰ কাইলৈ শপতগ্ৰহণ।

*আৰু*

৫। আহমেদাবাদ টেষ্টত শক্তিশালী স্থিতিত ভাৰত। প্ৰথম ইনিংছত সংগ্ৰহ কৰা ৪৪৮ ৰাণৰ পৰা তৃতীয় দিনাৰ খেল আৰম্ভ।

০০০০০০

ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত ৰাজ্য চৰকাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ অধ্যক্ষতাত এখন ন্যায়িক আয়োগ গঠন কৰিছে। এখন অধিসূচনা যোগে কালি নিশা ৰাজ্য চৰকাৰে এই বিষয়ে সদৰি কৰে। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তত কোনো ধৰণৰ আপোচ কৰা নহ'ব বুলি অৱগত কৰি তদন্ত আয়োগ গঠনৰ সিদ্ধান্ত সামাজিক মাধ্যমযোগে জানিবলৈ দিছিল। তেওঁ এই সন্দৰ্ভত জনতাৰ শিল্পীগৰাকীৰ মৃত্যু ৰহস্য ভেদ কৰিবৰ বাবে উচ্চ ন্যায়ালয়ত কৰ্মৰত এগৰাকী ন্যায়াধীশৰ জৰিয়তে তদন্ত কৰিবলৈ মুখ্য ন্যায়াধীশলৈ পত্ৰ প্ৰেৰণ কৰা হৈছিল বুলি অৱগত কৰিছিল। এই পত্ৰৰ প্ৰতি সঁহাৰি জনাই মুখ্য ন্যায়াধীশে সৌমিত্ৰ শইকীয়াৰ নেতৃত্বত আয়োগ গঠনৰ অনুমতি প্ৰদান কৰে। এই সন্দৰ্ভত বিতং তথ্যৰ সৈতে আমাৰ গুৱাহাটীৰ সংবাদদাতা হেমন্ত বৰা-

*(ভইচ ঃ বৰা)*

আনহাতে, জি এম চি এইচত কৰা জুবিন গাৰ্গৰ মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন আজি আদালতত দাখিল কৰাৰ লগতে গৰিমা গাৰ্গৰ হাতত অৰ্পণ কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যম যোগে সদৰী কৰে। তেওঁ কয়, যে ইতিমধ্যে ছিংগাপুৰৰ পৰা প্ৰেৰণ কৰা জুবিন গাৰ্গৰ মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন শিল্পীগৰাকীৰ পত্নী গৰিমা শইকীয়া গাৰ্গক প্ৰদান কৰা হৈছে।

ইপিনে, ইতিমধ্যে এই ঘটনা সন্দৰ্ভত গ্ৰেপ্তাৰ কৰা শেখৰ জ্যোতি গোস্বামী, অমৃতপ্ৰভা মহন্তৰ লগতে মূল অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক বিশেষ তদন্তকাৰী গোটে সোধাপোছা অব্যাহত ৰাখিছে। ইয়াৰ লগতে ছিংগাপুৰত জুবিন গাৰ্গৰ সৈতে একেলগে সাগৰলৈ যোৱা আছাম এছ'চিয়েছনৰ ১১ জন সদস্যক অহা ৬ অক্টোবৰৰ ভিতৰত হাজিৰ হ'বলৈ বিশেষ তদন্তকাৰী গোটে জাননী জাৰি কৰিছে।

জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ পৰা জব্দ কৰা শিল্পীগৰাকীৰ মোবাইল ফোনকে ধৰি কেতবোৰ সামগ্ৰী চিনাক্তকৰণৰ বাবে পত্নী গৰিমা শইকীয়া গাৰ্গ কালি কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ হয়। ইয়াৰ পাছতে তেওঁ আইনী প্ৰক্ৰিয়াৰ অংশ হিচাপে আদালতৰ মজিয়াত জুবিন গাৰ্গৰ সামগ্ৰীসমূহ চিনাক্ত কৰে। তেওঁ আদালতত কালি এই সন্দৰ্ভত ভাষ্য লিপিবদ্ধ কৰে। কালি শিল্পীগৰাকীৰ দেহৰক্ষী আৰু ঘটনাস্থলীত উপস্থিত থকা অসম আৰক্ষী বিষয়া সন্দিপন গাৰ্গকো জেৰা কৰা হয়।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বিশ্বনাথ জিলাৰ কেইবাটাও কাৰ্যসূচীত অংশ ল'ব। তেওঁ প্ৰথমে মহিলা উদ্যমিতা আঁচনিৰ অধীনত বিশ্বনাথ চাৰিআলিৰ কমলাকান্ত ক্ষেত্ৰত প্ৰায় ৩৮ হাজাৰ গৰাকী মহিলাক প্ৰথম বছৰৰ কিস্তিৰ ধন প্ৰদান কৰিব। ইয়াৰ পিছত তেওঁ জিলাখনৰ পাভৈত পঞ্চম অসম বেটেলিয়নৰ শুভাৰম্ভ কৰিব।

কালি সামাজিক মাধ্যমযোগে জনসাধাৰণক সম্বোধন কৰি মুখ্যমন্ত্ৰীয়ে ৰাজ্যত শীঘ্ৰেই ৩৫ হাজাৰ প্ৰাৰ্থীয়ে স্বচ্ছ আৰু নিকাভাৱে নিযুক্তি লাভ কৰিব বুলি মন্তব্য কৰে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

তেওঁ লগতে ৭ অক্টোবৰত অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ত ৩০ লাখ হিতাধিকাৰীক পুঁজি বিতৰণ কৰা হ'ব বুলি মন্তব্য কৰে। বি টি আৰৰ জিলা কেইখনৰ বাহিৰে ৰাজ্যৰ বাকী জিলাৰ হিতাধিকাৰীসকলে এই পুঁজি লাভ কৰিব বুলি তেওঁ কয়।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

কেন্দ্ৰীয় মন্ত্ৰী সভাই ৭১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কলিয়াবৰ-নুমলীগড় অংশৰ সম্প্ৰসাৰণ কৰি চাৰিলেনযুক্ত পথলৈ উন্নীত কৰাৰ বাবে লোৱা সিদ্ধান্তৰ মুখ্যমন্ত্ৰীয়ে ধন্যবাদ জ্ঞাপন কৰে। তেওঁ  ৮৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই পথচোৱাৰ নিৰ্মাণৰ জৰিয়তে বন্য জীৱজন্তুসমূহ বিপদমুক্ত হোৱাৰ লগতে যান-বাহন চলাচলত সুবিধা হ'ব বুলি উল্লেখ কৰে। গোলাঘাট আৰু গহপুৰৰ মাজত সুৰংগ নিৰ্মাণৰ বাবে শীঘ্ৰে কেন্দ্ৰীয় চৰকাৰে অনুমোদন জনাব বুলিও তেওঁ উল্লেখ কৰে। মাজুলীৰ কমলাবাৰী আৰু নিমাতীঘাট সংযোগী দলংখন নিৰ্মাণৰ বাবে নিবিদা প্ৰক্ৰিয়া সম্পূৰ্ণ হৈছে আৰু এটা ব্যক্তিগত প্ৰতিষ্ঠানে দুমাহৰ ভিতৰত নিৰ্মাণকাৰ্য আৰম্ভ কৰিব বুলি তেওঁ জানিবলৈ দিয়ে। ইপিনে ৰাজ্যখনৰ বানৰ ক্ষয়-ক্ষতিৰ জোৰা মৰাৰ বাবে গৃহ মন্ত্ৰালয়ে এহেজাৰ ২০০ কোটি টকাৰ অনুমোদন দিয়া বুলি তেওঁ উল্লেখ কৰে। তদুপৰি মেঘালয়ৰ পানী শিলসাকোলৈ লৈ লোৱাৰ বাবে আন এটা প্ৰকল্পটো গৃহ মন্ত্ৰালয়ে অনুমোদন দিছে বুলি মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে।

০০০০০০

বিপিএফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে কাইলৈ কোকৰাঝাৰৰ বিটিচি সচিবালয় খেলপথাৰত আয়োজিত অনুষ্ঠানত বিটিআৰৰ নতুন মুখ্য কাৰ্যবাহী সদস্যৰূপে শপতগ্ৰহণ কৰিব। শপতগ্ৰহণ অনুষ্ঠানৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তোলা হৈছে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ লগতে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই শপতগ্ৰহণ অনুষ্ঠানত অংশ লোৱাৰ কথা। মুখ্য সচিব ডঃ ৰবি কোটাই বিটিচিৰ কাৰ্যবাহী পৰিষদৰ নৱনিৰ্বাচিত সদস্যসকলক শপত বাক্য পাঠ কৰোৱাব। দিনৰ ১১ বজাৰ পৰা এই শপতগ্ৰহণ অনুষ্ঠান অনুষ্ঠিত হ'ব।

উল্লেখযোগ্য যে, বি টি চিৰ সৰ্বাংগীন বিকাশৰ স্বাৰ্থত এন ডি এৰ অংশীদাৰী দল হ'ব বুলি শ্ৰীমহিলাৰীয়ে প্ৰকাশ কৰিছে। কিন্তু ইয়াৰ বাবে ইউ পি পি এলৰ সৈতে এন ডি এৰ সম্পৰ্ক ৰহিত হোৱাৰ চৰ্ত আৰোপ কৰিছে। এই চৰ্তই ৰাজ্যৰ ৰাজনৈতিক প্ৰেক্ষাপটত তাৎপৰ্যপূৰ্ণ ভূমিকা পালন কৰাৰ সম্ভাৱনা দেখা দিছে।  শ্ৰীমহিলাৰীয়ে শপতগ্ৰহণ অনুষ্ঠানৰ প্ৰথম পৰ্যায়ত ১০ গৰাকী পাৰিষদে বি টি চিৰ কাৰ্যবাহী সদস্য হিচাপে শপতগ্ৰহণ কৰিব। তেওঁ পৰিষদ গঠনৰ পাছত ভূমিহীন বৈধ নাগৰিকক ভূমিপত্তা প্ৰদানত গুৰুত্ব আৰোপ কৰিব বুলিও উল্লেখ কৰে।

০০০০০০

প্ৰাণৰ শিল্পী জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে আজি গোৱালপাৰা চহৰৰ সংগম নাট্যগোষ্ঠীৰ প্ৰাংগণত জুবিন গাৰ্গ স্মৃতি সমিতিৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে সৰ্বধৰ্ম প্ৰাৰ্থনা সভাৰ আয়োজন কৰা হৈছে। পুৱা প্ৰভাত ফেৰীৰে এই কাৰ্যসূচী আৰম্ভ হয়। দিনৰ ভাগৱত, কোৰাণ আৰু বাইবেল পাঠৰ লগতে নাম-প্ৰসংগ কৰা হ'ব। সন্ধিয়া সমূহীয়া বন্তি প্ৰজ্বলন আৰু শিল্পীগৰাকীৰ দৃশ্য-শ্ৰব্য অনুষ্ঠান প্ৰদৰ্শন কৰা হ'ব।

০০০০০০

সামাজিক মাধ্যমে অনা পৰিৱৰ্তন আৰু সমাজ সন্দৰ্ভত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত এটি বিশেষ দৃষ্টিপাত প্ৰচাৰ কৰিব। সমাজকৰ্মী অৰ্চনা বৰঠাকুৰ আৰু অধিবক্তা নন্দিতা তালুকদাৰে এই অনুষ্ঠানত অংশ ল'ব। অনুষ্ঠানটোৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০০

গোলাঘাট জিলাৰ সৰুপথাৰৰ অসম নাগালেণ্ড সীমান্তত নগা দুৰ্বৃত্তই অতৰ্কিতে চলোৱা ঘটনা সন্দৰ্ভত কালি জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ বিষয়ববীয়াই বুজ লয়। উৰিয়াম ঘাটৰ দক্ষিণ নামবৰ সংৰক্ষিত বনাঞ্চলৰ বি. চেক্টৰৰ চুঙাজানৰ টেঙাতল গাঁৱত নগা দুৰ্বৃত্তই কমেও ১০০টা বাসগৃহত অগ্নি সংযোগ কৰা ঘটনাৰ পাছত কালি বিধায়ক বিশ্বজিৎ ফুকনো ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। তেওঁ গোলাঘাট জিলাৰ জিলা আয়ুক্ত, জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ লগতে নাগালেণ্ডৰ নিউলেণ্ড জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক আৰু চি আৰ পি এফৰ চেক্টৰ কমাণ্ডাৰৰ সৈতে আলোচনাত মিলিত হয়। স্থানীয় লোকৰ অভিযোগ অনুসৰি নিশা নাগালেণ্ডৰ বহুলোক আহি গাঁওখনত গুলীচালনা কৰাৰ লগতে ১০০টাৰো অধিক বাসগৃহত অগ্নিসংযোগ কৰে।

০০০০০০

কে এল ৰাহুল, ৰবীন্দ্ৰ জাদেজা আৰু ধ্ৰুৱ জুৰেলৰ দৰ্শনীয় শতকেৰে ভাৰতে আহমেবাদত চলিত প্ৰথমখন টেষ্টত শক্তিশালী স্থিতিত উপনীত হৈছে। খেলখনত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে ভাৰতে আজি প্ৰথম ইনিংছত পাঁচটা উইকেটৰ বিনিময়ত কালিলৈকে সংগ্ৰহ কৰা ৪৪৮ ৰাণৰ পৰা তৃতীয় দিনাৰ খেল আৰম্ভ কৰিব।

বৰ্তমান ক্ৰিজত ৱাশ্বিংটন সুন্দৰ ৯ ৰান আৰু ৰবীন্দ্ৰ জাদেজাই ১০৪ ৰান কৰি অপৰাজিত হৈ আছে। ভাৰতৰ হৈ কে এল ৰাহুলে ১০০ আৰু ধ্ৰুৱ জুৰেলে ১২৫ ৰান কৰি আউট হয়। উল্লেখযোগ্য যে, কে এল ৰাহুলৰ এয়া হৈছে তেওঁৰ কেৰিয়াৰৰ একাদশ শতক। ইয়াৰ পূৰ্বে ৱেষ্ট ইণ্ডিজে বৃহস্পতিবাৰে প্ৰথম ইনিংছত ১৬২ ৰান কৰি অল আউট হয়।

০০০০০০

চলিত মহিলা এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি গ্ৰুপ পৰ্যায়ৰ এখন খেলত অষ্ট্ৰেলিয়া শ্ৰীলংকাৰ মুখামুখি হ'ব। খেলখন বিয়লি ৩ বজাৰ পৰা আৰম্ভ হ'ব। কাইলৈ প্ৰতিযোগিতাৰ আন এখন খেলত ভাৰত চিৰবৈৰী পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে, ভাৰতে ইতিমধ্যে প্ৰথমখন খেলত ডি এল এছ্ পদ্ধতিৰে ৫৯ ৰানত বিজয়ী হৈ দুই পইণ্ট অৰ্জন কৰিছে আৰু পাকিস্তানে প্ৰথমখন খেলত বাংলাদেশৰ হাতত শোচনীয়ভাৱে পৰাস্ত হৈছে।

০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০১ দশমিক ৬ মেগাহাৰ্টজত শুনিছে। মধ্য অসম আৰু পাৰ্বত্য জিলা দুখনৰ শ্ৰোতাসকলে আমাৰ এই বাতৰি এফ এম বেণ্ডৰ ১০২ দশমিক ৭ মেগা হাৰ্টজত আকাশবাণী নগাঁও কেন্দ্ৰৰ পৰা, ১০০ দশমিক ২ মেগা হাৰ্টজত আকাশবাণী হাফলং কেন্দ্ৰৰ পৰা, ১০০ দশমিক ৯ মেগা হাৰ্টজত আকাশবাণী ডিফু কেন্দ্ৰৰ পৰা, ১০১ দশমিক ৫ মেগা হাৰ্টজত লামডিং, ১০০ দশমিক ৬ মেগা হাৰ্টজত বকলীয়া আৰু ১০২ দশমিক ১ মেগা হাৰ্টজত সৰিয়হজান ৰিলে কেন্দ্ৰৰ পৰা শুনিবলৈ পাইছে।

এই বাতৰি আমাৰ **ফে'চবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙৰ** লগতে নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০

কণ্ঠশিল্পী জুবিন গাৰ্গৰ মৃত্যুক কেন্দ্ৰ কৰি কেতবোৰ বিস্ফোৰক তথ্য পোহৰলৈ আহিছে। ইতিমধ্যে শ্বেখৰজ্যোতি গোস্বামী, অমৃত প্ৰভা মহন্তক চি আই ডি য়ে ১৪ দিনৰ জিম্মাত লৈছে। **অসমীয়া প্ৰতিদিন** কাকতে জুবিনক বিয়েৰত বিহ দিয়াৰ সন্দেহ শিৰোনামেৰে এই বাতৰি প্ৰকাশ কৰিছে।

কণ্ঠশিল্পীগৰাকীৰ মৃত্যুৰ ন্যায়িক তদন্তৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ সৌমিত্ৰ শইকীয়াক অধ্যক্ষৰূপে লৈ ন্যায়িক আয়োগ গঠন কৰা হৈছে বুলি ঘোষণা কৰাৰ বাতৰি দি **আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব দিছে।

**নিয়মীয়া বাৰ্তা** কাকতে জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গে মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত ভাষ্য দিয়াৰ বাতৰি প্ৰকাশ কৰিছে।

বিজয়া দশমীৰ দিনা বামুণীমৈদামৰ ৰেলৰে কলনীৰ এখন পূজা মণ্ডপত জুবিন গাৰ্গৰ গীত বজাবলৈ দিয়াৰ বাবে অবিনাশ ৰজক নামৰ  যুৱকজন হত্যাৰ বলি হোৱাৰ অভিযোগ উত্থাপিত হৈছে। এয়া **দ্য টাইমছ অব ইণ্ডিয়া** কাকতৰ বাতৰি।

ৰাজ্যৰ ১৫ স্থানত অমৃত সৰোবৰ নিৰ্মাণৰ বাবে গৃহ মন্ত্ৰালয়ে ৬৯২ কোটি টকা অনুমোদন দিছে। এই ধনেৰে যোৰহাট আৰু গোলাঘাটত ৪ টাকৈ, শোণিতপুৰ, শিৱসাগৰ, ডিব্ৰুগড়, মাজুলী, তিনিচুকীয়া, মৰিগাওঁ আৰু কামৰূপ জিলাত এটাকৈ অমৃত সৰোৱৰ নিৰ্মাণ কৰা হব বুলি মন্ত্ৰী পিযুষ হাজৰিকাই মন্তব্য কৰিছে। **অসমীয়া খবৰ** কাকতে এই বাতৰিক প্ৰথম পৃষ্ঠাত গুৰুত্ব দিছে। **দৈনিক অগ্ৰদূত** কাকতেও এই বাতৰি প্ৰকাশ কৰিছে।

মহানগৰীৰ ফাচী বজাৰত সংঘটিত অগ্নিকাণ্ডত এজন নিহত হোৱাৰ লগতে ৫ গৰাকী ব্যক্তি আহত হোৱাৰ বাতৰি **আমাৰ অসম** কাকতে প্ৰকাশ কৰিছে।

মাজনিশা নগাই গোলাঘাট জিলাৰ অসম নাগালেণ্ড সীমান্তৱৰ্তী টেঙাতল গাওঁ জ্বলাই দিয়াৰ বাতৰি **দ্য চেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

কেন্দ্ৰীয় কেবিনেটে কাজিৰঙা এলিভেটেট কৰিডৰ নিৰ্মাণত অনুমোদন জনোৱাৰ পাছত অসমে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পৰা সপ্তমটো উপহাৰৰ অপেক্ষাত আছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰিছে। এয়া **দৈনিক জনমভূমি** কাকতৰ প্ৰথম পৃষ্ঠাৰ বাতৰি।

নেচনেল ক্ৰাইম ৰেকৰ্ড ব্যুৰৰ প্ৰতিবেদন মতে এবছৰতে ৰাজ্যত এবছৰতে ৬ সহস্ৰাধিক বাল্যবিবাহ সম্পৰ্কীয় গোচৰ ৰুজু হৈছে। দেশৰ মুঠ গোচৰৰ ৯০ শতাংশই পঞ্জীয়ন হৈছে অসমত। **দৈনিক অসম** কাকতে এই বাতৰি প্ৰথম পৃষ্ঠাত গুৰুত্ব দিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত